# NSD NEWS BULLETIN

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 10-10-2026

**Time :** 13-40 Hrs.

## *Assamese MIDDAY Bulletin*

**:::::::::::::::::::::::::::::::**

১। ভাৰতে ৰাষ্ট্ৰসংঘত জম্মু-কাশ্মীৰক লৈ উৰা বাতৰি বিয়পোৱাৰ বাবে পাকিস্তানক তীব্ৰ সমালোচনা কৰিছে।

২। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে বিৰোধী দলসমূহে দেশত অস্থিৰতা সৃষ্টিৰ বাবে প্ৰচেষ্টা চলাইছে বুলি অভিযোগ তুলিছে।

৩। উত্তৰ প্ৰদেশ চৰকাৰে নয়দা আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰক নৰেন্দ্ৰ মোদী আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰ হিচাপে নামকৰণ কৰাৰ সিদ্ধান্ত লৈছে।

৪। আজি মহালয়া। এই উপলক্ষে আজি দেশৰ বিভিন্ন প্ৰান্তত শোভাযাত্ৰা আৰু শ্ৰাদ্ধ পাৰ্বন আদি অনুষ্ঠিত হয়।

আৰু

৫। ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল কাইলৈ ইণ্ডোৰত অনুষ্ঠিত হ'ব।

০০০

ভাৰতে ৰাষ্ট্ৰসংঘত জম্মু-কাশ্মীৰক লৈ উৰা বাতৰি বিয়পোৱাৰ বাবে পাকিস্তানক ভৰ্ৎসনা কৰিছে। ভাৰতে লগতে জম্মু-কাশ্মীৰ ভাৰতৰ অভিন্ন অংগ আৰু সদায় অবিচ্ছেদ্য অংগ হৈ থাকিব বুলি স্পষ্ট কৰি দিছে। নিউয়ৰ্কত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ চতুৰ্থ সমিতিত ঔপনিৱেশিক শাসনৰ পৰা মুক্তি বিষয়ক আলোচনাৰ সময়ত উত্তৰ জনোৱাৰ অধিকাৰ প্ৰয়োগ কৰি ভাৰতে আজি এই কথা প্ৰকাশ কৰে। ৰাষ্ট্ৰসংঘত ভাৰতৰ স্থায়ী মিছনে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰা মতে সাংসদ মহিমা কুমাৰী মেৱাড়ে জম্মু-কাশ্মীৰক লৈ উৰা বাতৰি বিয়পোৱাৰ বাবে পাকিস্তানে বাৰে বাৰে ৰাষ্ট্ৰসংঘৰ অপব্যৱহাৰ কৰি আহিছে বুলি অভিযোগ তোলে। শ্ৰীমতী মেৱাড়ে লগতে পাকিস্তানে অবৈধভাৱে দখল কৰি থকা অঞ্চলসমূহত সংঘটিত মানৱ অধিকাৰ উলংঘনৰ ঘটনাৰ বিষয়ে আলোকপাত কৰে আৰু ইছলামাবাদ মহলক বিষয়টো লৈ মনোযোগ দিবলৈ আহ্বান জনায়। তেওঁ কয়, যে পাকিস্তানী বাহিনী আৰু ইয়াৰ সহযোগীসকলে বুনিয়াদী আৱশ্যকতা আৰু অধিকাৰৰ হকে প্ৰতিবাদ সাব্যস্ত কৰা নিৰীহ নাগৰিকসকলক হত্যা কৰিছে। ইপিনে, আন এখন গুৰুত্বপূৰ্ণ বৈঠকত সাংসদ প্ৰিয়া সৰোজে ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ ষষ্ঠ সমিতিৰ ৮১ সংখ্যক অধিৱেশনত ভাৰতৰ হৈ ৰাষ্ট্ৰীয় বিবৃতি দিয়ে। তেওঁ লগতে ৰাষ্ট্ৰসংঘ আৰু সদস্য ৰাষ্ট্ৰসমূহৰ মাজত সহযোগিতা সুদৃঢ় কৰিবলৈ আহ্বান জনায়।

০০০

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে বিৰোধী দলসমূহে দেশত অস্থিৰতা সৃষ্টিৰ বাবে প্ৰচেষ্টা চলাইছে আৰু বিদেশী শক্তিৰ নিৰ্দেশ অনুসৰি কাম কৰিছে বুলি অভিযোগ তুলিছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীনবীনে বিৰোধী দলসমূহে দেশত অতি বিপজ্জনক আৰু গম্ভীৰ পৰিস্থিতিৰ সৃষ্টি কৰিছে বুলি অভিযোগ তোলে। তেওঁ লগতে কয় যে ভাৰতীয় গণতন্ত্ৰৰ অপৰিসীম শক্তি আছে আৰু এনে ধৰণৰ প্ৰচেষ্টা বিফল কৰিবলৈ দেশৰ জনসাধাৰণ একত্ৰিত হ'ব। নিৰন্তৰ গোলকীয় সংকট সত্বেও দেশ প্ৰগতিৰ পথত আগবাঢ়ি গৈ আছে বুলি বিজেপিৰ সভাপতিগৰাকীয়ে উল্লেখ কৰে।

বাইট (নবীন-১)

শ্ৰীনবীনে বিৰোধী পক্ষই সংবিধানৰ নামত মিছা কথা বিয়পাই ৰাজহুৱা আদেশৰ অপমান কৰা বুলিও অভিযোগ তোলে। তেওঁ কয় যে নিৰ্বাচনত বাৰে বাৰে পৰাজয়ৰ ফলত বিৰোধী দলসমূহৰ মাজত হতাশাৰ সৃষ্টি হৈছে। দেশত উত্তেজনাৰ সৃষ্টি কৰিব বিচৰা প্ৰচেষ্টাৰ চৰকাৰে দৃঢ়তাৰে মোকাবিলা কৰিব বুলি শ্ৰীনবীনে মন্তব্য কৰে।

বাইট (নবীন-২)

০০০

উত্তৰ প্ৰদেশ চৰকাৰে নয়দা আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰক নৰেন্দ্ৰ মোদী আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰ হিচাপে নামকৰণ কৰাৰ সিদ্ধান্ত লৈছে। মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে অধ্যক্ষতা কৰা ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকত এই প্ৰস্তাৱত অনুমোদন জনোৱা হয়।

মন্ত্ৰীসভাৰ বৈঠকৰ পাছতে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নামত বিমান বন্দৰৰ নামকৰণ কৰা সন্দৰ্ভত মন্ত্ৰীসভাই গ্ৰহণ কৰা সিদ্ধান্তত কৃতজ্ঞতা প্ৰকাশ কৰি কয়, যে এয়া হৈছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰতি উত্তৰ প্ৰদেশৰ এটা ডাঙৰ উপহাৰ। মুখ্যমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰি কয়, যে এই বিমান বন্দৰ ৰাজ্যখনৰ এটা বৃহৎ বিমান বন্দৰৰূপে পৰিগণিত হোৱাৰ উপৰি বিমান পৰিবহণৰ কেন্দ্ৰ হৈ পৰিব। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে চলিত বৰ্ষৰ ২৮ মাৰ্চত এই বিমান বন্দৰৰ উদ্বোধন কৰিছিল।

০০০

আজি বিশ্ব মানসিক স্বাস্থ্য দিৱস। মানসিক স্বাস্থ্য সন্দৰ্ভত শিক্ষা, সজাগতা সৃষ্টি আৰু মানসিক স্বাস্থ্য বা মানসিক ৰোগৰ প্ৰতি থকা সামাজিক সংকোচবোধৰ বিৰুদ্ধে জনমত গঢ়ি তোলাৰ উদ্দেশ্যে বিশ্বজুৰি প্ৰতি ১০ অক্টোবৰত এই দিৱস পালন কৰা হয়। WORLD FEDARATION FOR MENTAL HEALTH ৰ উদ্যোগত ১৯৯২ চনত প্ৰথমবাৰলৈ এই দিৱস পালন কৰা হৈছিল। ডেৰশতকৈও অধিক দেশত ইয়াৰ শাখা থকা WORLD FEDARATION FOR MENTAL HEALTH হৈছে মানসিক স্বাস্থ্য সম্পৰ্কীয় এটা বিশ্বমানৰ সংগঠন। এইবেলি এই দিৱসৰ বিষয়বস্তু হৈছে - Lived experiences heard: Real Voices, Real Change.

০০০

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই বিশ্ব মানসিক স্বাস্থ্য দিৱসত আজি সুলভ আৰু জনসাধাৰণকেন্দ্ৰিক মানসিক স্বাস্থ্য সেৱাৰ প্ৰতি দায়বদ্ধতাৰ কথা দোহাৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে দেশৰ ৩৬খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত কাৰ্যক্ষম হৈ থকা ৫৩টা

টেলী-মানস চেল আৰু ৪৮ লাখৰো অধিক ফোন-কল লাভৰ জৰিয়তে অধিক লোকক মানসিক স্বাস্থ্যৰ ক্ষেত্ৰত সমৰ্থন যোগোৱা হৈছে। শ্ৰীনাড্ডাই কয় যে মন জাগৃতি শীৰ্ষক পদক্ষেপে মানসিক স্বাস্থ্য সন্দৰ্ভত সজাগতা বৃদ্ধি কৰাৰ লগতে আগতীয়াকৈ সহায় বিচৰাৰ প্ৰতি উৎসাহিত কৰা আৰু এই ক্ষেত্ৰত মানুহৰ ধাৰণাৰ পৰিৱৰ্তন কৰিছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে সকলো নাগৰিকক এখন সহমৰ্মিতাৰে ভৰপুৰ সমৰ্থিত সমাজ গঢ়ি তুলিবলৈ আহ্বান জনায়, য'ত প্ৰত্যেকে ভয় আৰু বৈষম্য নোহোৱাকৈ মৰ্যাদাপূৰ্ণভাৱে সহায় বিচাৰিব পাৰে। তেওঁ লগতে কয় যে মানসিক স্বাস্থ্য অতি গুৰুত্বপূৰ্ণ আৰু এই বিষয়ত প্ৰতিজন লোকৰ কথা শুনাটো দৰকাৰ। এই বছৰ এই দিৱসৰ বিষয়বস্তু হৈছে - জীয়াই থকাৰ অনুভৱক শুনা ঃ প্ৰকৃত কণ্ঠ, প্ৰকৃত পৰিৱৰ্তন।

০০০

আজি মহালয়া। এই উপলক্ষে আজি দেশৰ বিভিন্ন প্ৰান্তত শোভাযাত্ৰা আৰু শ্ৰাদ্ধ পাৰ্বন আদি অনুষ্ঠিত হয়। আহিন মাহৰ অমাৱশ্যা তিথিত দিন-ৰাতিৰ সন্ধিক্ষণৰ পৰা আৰম্ভ হোৱা মহালয়াৰ পৱিত্ৰ ক্ষণত দেৱী দুৰ্গাৰ ধৰালৈ আগমন ঘটে বুলি বিশ্বাস কৰা হয়। ইয়াৰ লগে লগে পিতৃ পক্ষৰ সমাপ্তি ঘটি দেৱী পক্ষৰ সূচনা হয়। কাইলৈ নৱৰাত্ৰিৰ প্ৰথম দিনটোৰ পৰা শাৰদীয় দুৰ্গা পূজাৰ আধ্যাত্মিক পৰ্বসমূহো আৰম্ভ হ'ব। এইবাৰ দেৱীৰ ঘোঁৰাত আগমন হৈছে আৰু নৌকাত গমন কৰিব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মহালয়া উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে মা দুৰ্গাৰ আশীৰ্বাদে সমাজলৈ শান্তি, সহমৰ্মিতা আৰু আশাৰ বতৰা কঢ়িয়াই আনিব বুলি কামনা কৰে। তেওঁ লগতে সকলোৰে সুখ-সমৃদ্ধি কামনা কৰে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে মহালয়া উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জনাই কয় যে মহালয়াত পিতৃপক্ষৰ অন্ত পৰে আৰু দেৱীপক্ষ আৰম্ভ হৈ মা দুৰ্গাৰ আগমন ঘটে। শ্ৰীশ্বাহে মা দুৰ্গাৰ আশীৰ্বাদে প্ৰত্যেকৰে জীৱনলৈ সুখ, শান্তি আৰু সমৃদ্ধি কঢ়িয়াই অনাৰ কামনা কৰে।

০০০

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই অহা সোমবাৰে আহমেদাবাদত ব্ৰীকচ ৰাষ্ট্ৰগোষ্ঠীৰ পৰম্পৰাগত আৰু থলুৱা ক্ৰীড়া প্ৰদৰ্শনী ২০২৬ উদ্বোধন কৰিব। ভাৰতৰ ব্ৰীকচৰ অধ্যক্ষতাত গুজৰাট চৰকাৰৰ সহযোগত যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে এই প্ৰদৰ্শনীৰ আয়োজন কৰিছে। এই গেমছত ব্ৰীকচৰ সদস্য ৰাষ্ট্ৰ আৰু অংশীদাৰ দেশসমূহে নিজ নিজ পৰম্পৰাগত আৰু থলুৱা ক্ৰীড়া পদ্ধতিসমূহ প্ৰদৰ্শন কৰিব। মন্ত্ৰালয়ে জনোৱা মতে, এই প্ৰদৰ্শনীয়ে ক্ৰীড়াৰ জৰিয়তে সাংস্কৃতিক বিনিময়, ঐতিহ্য সংৰক্ষণ আৰু জনসাধাৰণৰ মাজৰ সহযোগিতাৰ প্ৰসাৰ কৰিব। এই প্ৰদৰ্শনীৰ সুযোগতে অভ্যাগত প্ৰতিনিধিসকলৰ সৈতে দ্বিপাক্ষিক বৈঠকৰ পৰিকল্পনা কৰা হৈছে বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। এই বৈঠকসমূহৰ জৰিয়তে ব্ৰীকচ ৰাষ্ট্ৰগোষ্ঠীৰ মাজত ক্ৰীড়া সহযোগিতা বৃদ্ধি আৰু পৰম্পৰাগত তথা থলুৱা খেলৰ প্ৰসাৰৰ ক্ষেত্ৰত সুযোগ অন্বেষণৰ  লক্ষ্য লোৱা হৈছে বুলি মন্ত্ৰালয়ে উল্লেখ কৰে।

০০০

চৰকাৰে বালাকোট বিমান আক্ৰমণৰ সময়ত বায়ুসেনা লোকচানৰ সন্মুখীন হোৱা বুলি দাবী কৰা এটা প্ৰবন্ধ খণ্ডন কৰিছে। প্ৰেছ ইনফৰমেচন ব্যুৰ'ৰ তথ্য পৰীক্ষণ গোটে প্ৰকাশ কৰা মতে প্ৰবন্ধটোত অভিযানৰ প্ৰকৃতি আৰু ৰূপায়ণৰ বিষয় দুটা ভুলকৈ দেখুওৱা হৈছে। প্ৰবন্ধটোত তথ্য বিকৃত কৰি বিভ্ৰান্তিকৰ ব্যাখ্যা

আগবঢ়োৱা হৈছে বুলিও তথ্য পৰীক্ষণ গোটে প্ৰকাশ কৰিছে। পৰীক্ষণ গোটে বালাকোটৰ বিমান আক্ৰমণক নিৰ্দিষ্ট সন্ত্ৰাসবাদী ঘাটিক লক্ষ্য কৰি চলোৱা সু-পৰিকল্পিত অভিযান বুলিও অভিহিত কৰিছে। এই অভিযানত বায়ু সেনা বাহিনীৰ নিখুঁতভাৱে আক্ৰমণ চলোৱাৰ সামৰ্থ, অভিযানৰ প্ৰস্তুতি আৰু সন্ত্ৰাসবাদক যোগ্য প্ৰত্যুত্তৰ দিয়াৰ সংকল্প প্ৰতিফলিত হোৱা বুলি তথ্য পৰীক্ষণ গোটে দাবী কৰিছে। প্ৰেছ ইনফৰমেচন ব্যুৰ'ই লগতে সংবাদ প্ৰতিষ্ঠানসমূহক সত্যা-সত্য নিৰূপণ কৰা তথ্যহে ব্যৱহাৰ কৰিবলৈ আৰু প্ৰতিৰক্ষা তথা সংবাদেনশীল অভিযানৰ বাতৰি প্ৰকাশ কৰোতে সতৰ্কতা অৱলম্বন কৰিবলৈ আহ্বান জনাইছে।

০০০

ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল কাইলৈ ইণ্ডোৰত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া সাত বজাত আৰম্ভ হ'ব।

যোৱা নিশা ৰাঁচীত অনুষ্ঠিত দ্বিতীয়খন খেলত ৱেষ্ট ইণ্ডিজে ভাৰতক ছয় উইকেটত পৰাস্ত কৰাত সম্প্ৰতি পাঁচখনীয়া শৃংখলাটোত ১-১ৰ সমতা স্থাপন হয়। ৱেষ্ট ইণ্ডিজে ১৮ অভাৰ তিনিটা বলত ২৫২ ৰান কৰি ভাৰতে নিৰ্ধাৰণ কৰি দিয়া ২৫০ ৰাণৰ লক্ষ্য অতিক্ৰম কৰে। আলহী দলটোৰ অধিনায়ক ছাই হোপে ৪৫ টা বলত ১০২ ৰান কৰাৰ লগতে ছাৰ্ফেন ৰাডাৰফ'ৰ্ডে ৮৪ ৰানৰ বৰঙণি আগবঢ়ায়। ছাই হোপক প্লেয়াৰ অব দ্যা মেচ ঘোষণা কৰা হয়।

০০০

সমাপ্ত